**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 13-03-2024
**Time :** 1845 Hrs.

***Assamese Evening Bulletin***

১। বিভিন্ন প্ৰযুক্তিগত আহিলাৰ বাবে ভাৰতত উৎপাদিত চিপসমূহে দেশৰ আত্মনিৰ্ভৰ কৰি তোলাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি ভাৰ্চুৱেলী ছেমি কণ্ডাক্টৰ প্ৰকল্প মুকলি কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰকাশ ।

২। আস্থা আৰু বিশ্বাসেৰে আগবঢ়াৰ ফলত অসম ছেমি কণ্ডাক্টৰ উদ্যোগ স্থাপন হোৱা প্ৰথমখন ৰাজ্য হিচাপে পৰিগণিত হৈছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য।

৩। নাগৰিকত্ব সংশোধনী নিয়মাৱলী, ২০২৪-ৰ ৰূপায়ণ স্থগিত ৰখাৰ বাবে উচ্চতম ন্যায়ালয়ত বিৰোধী দলৰ নেতা দেৱব্ৰত শইকীয়া আৰু সাংসদ আব্দুল খালেকৰ আবেদন দাখিল। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ এই আইনৰ স্থগিতাদেশ বিচাৰি আবেদন।

৪। লোকসভা নিৰ্বাচনৰ বাবে বৰপেটা সমষ্টিৰ পৰা বিধায়ক মনোৰঞ্জন তালুকদাৰক চি পি আই (এম)-ৰ পৰা প্ৰাৰ্থীত্ব প্ৰদান। অসম জাতীয় পৰিষদৰ নেতা দুলু আহমেদৰ এই সমষ্টিৰ পৰা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ কথা ঘোষণা।

*আৰু*

৫। দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত ক্ষন্তেক পাছতে হ'বলগীয়া মহিলা প্ৰিমিয়াৰ লীগৰ এখন খেলত দিল্লী কেপিটেলছ গুজৰাট জায়েণ্টছৰ মুখামুখি।

oooooooo

———বিভিন্ন প্ৰযুক্তিগত আহিলাৰ বাবে ভাৰতত উৎপাদিত চিপসমূহে দেশৰ আত্মনিৰ্ভৰ কৰি তোলাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰকাশ কৰিছে। তেওঁ লগতে ছেমি কণ্ডাক্টৰ উৎপাদনৰ ক্ষেত্ৰখনত ভাৰত শীঘ্ৰেই এটা গোলকীয় কেন্দ্ৰ হিচাপে পৰিগণিত হ'ব বুলি দৃঢ়তাৰে প্ৰকাশ কৰে।

মৰিগাঁও জিলাৰ জাগীৰোডকে ধৰি দেশৰ ৩ ঠাইত প্ৰায় ১ লাখ ২৫ হাজাৰ কোটি টকা ব্যয়সাপেক্ষ তিনিটা ছেমি কণ্ডাক্টৰ প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰি প্ৰধানমন্ত্ৰী মোদীয়ে আজি এই কথা প্ৰকাশ কৰে। ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰ জৰিয়তে আজি পুৱা চাৰে ১০ বজাত আধাৰশিলা স্থাপন কৰা আন দুটা প্ৰস্তাৱিত প্ৰকল্প গুজৰাটৰ ধোলেৰা আৰু সানন্দত নিৰ্মাণ কৰা হ'ব। উল্লেখযোগ্য যে, জাগীৰোডৰ হিন্দুস্তান কাগজ নিগমৰ অধীনস্থ পূৰ্বৰ নগাঁও কাগজ কল চৌহদত ২৭ হাজাৰ কোটি টকা ব্যয়েৰে স্থাপন কৰিবলগীয়া থলুৱাভাৱে নিৰ্মিত অৰ্ধ পৰিবাহী অৰ্থাৎ ছেমি কণ্ডাক্টৰ সংলগ্নকৰণ প্ৰকল্পটো হ'ব উত্তৰ-পূৰ্বাঞ্চলত ব্যক্তিগত খণ্ডৰ সৰ্ববৃহৎ পৰিমাণৰ পুঁজি ব্যয়েৰে নিৰ্মাণ কৰিবলগীয়া প্ৰকল্প। উত্তৰ-পূৰ্বাঞ্চলৰ উদ্যোগ জগতৰ এটা মাইলৰ খুঁটি হিচাপে চিহ্নিত হ'বলগীয়া এই প্ৰকল্পটোৰ প্ৰতিদিনে ৪ কোটি ৮০ লাখ চিপ প্ৰস্তুত কৰাৰ সামৰ্থ থাকিব বুলি প্ৰকাশ পাইছে। এই কেন্দ্ৰত ১৬ হাজাৰ যুৱক-যুৱতীয়ে নিযুক্তি লাভ কৰিবলৈ সমৰ্থ হ'ব বুলি প্ৰকাশ কৰা হৈছে। টাটা ইলেক্ট্ৰনিকছ প্ৰাইভেট লিমিটেডৰ উদ্যোগত পৰৱৰ্তী ১০০ দিনৰ ভিতৰত এই প্ৰকল্পটোৰ ছেমি কণ্ডাক্টৰ ইউনিটটোৰ নিৰ্মাণকাৰ্য আৰম্ভ হ'ব।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই কাৰ্যসূচীত অংশ লৈ কয় যে ভৌগোলিক বাধাৰ বাবে অসম তথা উত্তৰ-পূবত ঔদ্যোগিক বিপ্লৱৰ সূচনা হোৱা নাছিল যদিও সম্প্ৰতি অঞ্চলটো এইক্ষেত্ৰত সূচল হৈ পৰিছে। মুখ্যমন্ত্ৰীয়ে লগতে সাংবাদিকৰ আগত কয় যে আন্দোলনৰ পৰিৱৰ্তে আস্থা আৰু বিশ্বাসেৰে আগবঢ়াৰ ফলতে অসম ছেমি কণ্ডাক্টৰ উদ্যোগ স্থাপন হোৱা প্ৰথমখন ৰাজ্য হিচাপে পৰিগণিত হৈছে। তেওঁ কয় যে প্ৰধানমন্ত্ৰীৰ নিৰলস প্ৰচেষ্টা আৰু অসম তথা উত্তৰ-পূবক দক্ষিণ-পূব এছিয়াৰ প্ৰৱেশদ্বাৰ হিচাপে পৰিগণিত কৰোৱাৰ বাবে নিৰ্ধাৰণ কৰা লক্ষ্যৰ ফলতে এই ক্ষেত্ৰত অগ্ৰগতি দেখা গৈছে বুলি মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে। অসমত এই বৃহৎ বিনিয়োগৰ বাবে প্ৰধানমন্ত্ৰীৰ উপৰি টাটা গোটলৈ মুখ্যমন্ত্ৰীয়ে কৃতজ্ঞতা জ্ঞাপন কৰে। এই বিনিয়োগে আন বিনিয়োগকাৰীক অসমলৈ আমন্ত্ৰণৰ ইতিবাচক বাৰ্তা বহন কৰাৰ উপৰি অসমৰ অৰ্থনৈতিক বিকাশ আৰু নিয়োগ সৃষ্টিত অভূতপূৰ্ব ভূমিকা পালন কৰিব। মুখ্যমন্ত্ৰীয়ে বৈদ্যুতিন আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱকো ধন্যবাদ জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰী মোদীৰ বাবে অসমে এনেধৰণৰ উল্লেখযোগ্য প্ৰকল্প লাভ কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

আজিৰ অনুষ্ঠানৰ সৈতে সংগতি ৰাখি প্ৰধানমন্ত্ৰীয়ে **ইণ্ডিয়াজ টেকেড** শীৰ্ষক কাৰ্যসূচীত অংশগ্ৰহণ কৰি দেশৰ যুৱ সম্প্ৰদায়ক সম্বোধন কৰে। এই ব্যৱস্থাৰ জৰিয়তে যুৱ চামৰ বাবে কৰ্ম সংস্থাপনৰ সুযোগ বৃদ্ধি কৰিব বুলি আশা কৰা হৈছে। এই কাৰ্যসূচীত দেশৰ সকলো কেন্দ্ৰীয় বিশ্ববিদ্যালয়, আই আই টি, এন আই টি, আই আই এম আদিকে ধৰি এহেজাৰ ৮১৪ টা প্ৰতিষ্ঠানৰ শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰে।

oooooooo

নাগৰিকত্ব সংশোধনী নিয়মাৱলী, ২০২৪-ৰ ৰূপায়ণ স্থগিত ৰখাৰ বাবে অসম বিধানসভাৰ বিৰোধী দলৰ নেতা দেৱব্ৰত শইকীয়া আৰু সাংসদ আব্দুল খালেকে উচ্চতম ন্যায়ালয়ত এখন আবেদন দাখিল কৰিছে। যোৱা ১১ মাৰ্চত নাগৰিকত্ব সংশোধনী আইন, ২০১৯ সন্দৰ্ভত অধিসূচনা জাৰি কৰাৰ পাছতেই চৰকাৰে এই নিয়মাৱলী ঘোষণা কৰিছিল। আবেদনখনত এই নিয়মসমূহ অসাংবিধানিক বুলি উল্লেখ কৰাৰ লগতে ইয়াৰ দ্বাৰা অসম চুক্তিৰ দফা উলংঘা হয় বুলি কোৱা হৈছে।  এই নিয়মসমূহে অসম চুক্তিৰ ৫ দশমিক ৮ নম্বৰ অনুচ্ছেদত উল্লেখিত ১৯৭১ চনৰ ২৫ মাৰ্চৰ পাছত অসমত প্ৰৱেশ কৰা লোকসকলক বিদেশী বুলি গণ্য কৰি তেওঁলোকক চিনাক্ত আৰু বহিষ্কাৰ কৰা হ'ব বুলি দিয়া প্ৰস্তাৱকো উলংঘা কৰিছে বুলি আবেদনখনত উল্লেখ কৰা হয়। এই আইনখন আৰু নিয়মাৱলীসমূহে নিৰ্দিষ্ট ধৰ্মীয় গোটসমূহক ৰক্ষণাবেক্ষণ দিয়াৰ পোষকতা কৰিছে বুলি আবেদনখনত উল্লেখ কৰা হয়। ইফালে, অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদেও নাগৰিকত্ব সংশোধনী আইনৰ স্থগিতাদেশ বিচাৰি উচ্চতম ন্যায়ালয়ত আবেদন দাখিল কৰিছে। সংগঠনটোৱে এই আইনৰ প্ৰতিবাদত ৰাজ্যজুৰি কাৰ্যসূচী গ্ৰহণ কৰা হ'ব বুলিও ঘোষণা কৰিছে।

ইফালে, বিৰোধী দল কংগ্ৰেছৰ উপৰি বিভিন্ন দল-সংগঠনে এই আইনৰ বিৰোধিতা কৰি ৰাজ্যত প্ৰতিবাদী কাৰ্যসূচী গ্ৰহণ কৰিছে। সদৌ অসম ছাত্ৰ সন্থাইও কালি এই আইনৰ বিৰুদ্ধে উচ্চতম ন্যায়ালয়ত আবেদন দাখিল কৰে। অৱশ্যে কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ে এই আইনে কোনো ধৰ্মাৱলম্বী ভাৰতীয় লোকৰ নাগৰিকত্বৰ অধিকাৰ খৰ্ব নকৰে বুলি স্পষ্ট কৰি দিছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ২০১৪ চনৰ পাছত ৰাজ্যখনলৈ অহা কোনো লোকে এই আইনৰ সুবিধা লাভ নকৰে বুলি ঘোষণা কৰিছে।

oooooooo

বিকাশ যাত্ৰাৰ সামৰণী অনুষ্ঠানৰ অংশ হিচাপে মুখ্যমন্ত্ৰী ড০ হিমন্ত শৰ্মাই আজি কামৰূপ জিলাত কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰে। তেওঁ জিলাখনত মুঠ ৬৩৫ কোটি টকাৰ আঁচনিৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰি দ্বিতীয় পৰ্যায়ৰ বিকাশ যাত্ৰাৰ সামৰণি ঘোষণা কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাসমেলা পথাৰত ৰাজহুৱা সভা সম্বোধন কৰি কেইবাটাও প্ৰকল্প ৰাইজৰ নামত উৎসৰ্গা কৰে। বিকাশ যাত্ৰাত দুবছৰত কেন্দ্ৰীয় চৰকাৰৰ ৬৪ হাজাৰ কোটি টকাৰ আঁচনি আৰু ৰাজ্য চৰকাৰৰ ৫০ হাজাৰ কোটি টকাৰ আঁচনিৰ আধাৰশিলা আৰু উদ্বোধন কৰা হৈছে বুলি তেওঁ কয়। শীঘ্ৰেই ৰাজ্যত তৃতীয় পৰ্যায়ৰ বিকাশ যাত্ৰাৰ শুভাৰম্ভ কৰা হ'ব বুলি মুখ্যমন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে। তেওঁ প্ৰধানমন্ত্ৰী গতি শক্তি মাল্টি মডেল লজিষ্টিক পাৰ্ক আৰু ৰেলৱে টাৰ্মিনেলৰ ভূমিপূজনতো অংশগ্ৰহণ কৰে। ইয়াৰ লগতে ৰাজ্য তথা কেন্দ্ৰ চৰকাৰৰ যৌথ উদ্যোগত গুৱাহাটীৰ বেতকুছিত মুখ্যমন্ত্ৰীগৰাকীয়ে **একতা ম'লৰ** ভূমিপূজন কৰে। মুঠ ২৯৮ কোটি টকা ব্যয়েৰে নিৰ্মাণ হ'বলগীয়া এই ম'লৰ জৰিয়তে ৰাজ্যৰ থলুৱা হস্তনিৰ্মিত আৰু জি আই টেগযুক্ত সামগ্ৰীৰ প্ৰদৰ্শন আৰু বিক্ৰী কৰা হ'ব। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বাবে এটা গুৰুত্বপূৰ্ণ বাণিজ্যিক কেন্দ্ৰ হিচাপে, বিভিন্ন কাৰিকৰ, শিল্পী, উদ্যমী, স্থানীয় আৰু পৰম্পৰাগত, অ'ডিঅ'পি সামগ্ৰীসমূহৰ বাবে এখন উপযুক্ত বজাৰ সৃষ্টি কৰা তথা বছৰি ৫ দশমিক ৫ লাখতকৈ অধিক লোকৰ সমাগমৰ লক্ষ্য নিৰ্ধাৰণ কৰাৰ উদ্দেশ্যে এই **একতা ম'ল** স্থাপন কৰা হ'ব। প্ৰকল্পটো নিৰ্ধাৰিত সময়সীমা ১৫ মাহৰ ভিতৰত সম্পন্ন কৰাৰ লক্ষ্য স্থিৰ কৰা হৈছে। ৰাজ্য তথা কেন্দ্ৰীয়শাসিত অঞ্চলৰ বাবে ৩৫খন সম আকাৰৰ বিপণী, অসমৰ ৩৫খন জিলাৰ বাবে সম আকাৰৰ ৩৫খন বিপণী, অসম তথা আন ৰাজ্যৰ পৰম্পৰাগত খাদ্যৰ বিপণী, ভাৰতত নিৰ্মিত সফল বাণিজ্যিক সামগ্ৰীৰ বিপণী, আলোচনা, সাংস্কৃতিক অনুষ্ঠান আদিৰ বাবে প্ৰেক্ষাগৃহ আৰু প্ৰেক্ষাকক্ষৰ লগতে যোগাভ্যাস আৰু ধ্যানকেন্দ্ৰও থাকিব।

oooooo

বিকাশ যাত্ৰাৰ অংশ হিচাপে  পি এম ডিভাইন আঁচনিৰ অধীনত মন্ত্ৰী অতুল বৰাই আজি গুৱাহাটীৰ কেইবাখনো বিদ্যালয়ৰ নতুন বিদ্যালয় ভৱনৰ আধাৰশিলা স্থাপন কৰে। তেওঁ কেইবা কোটি টকা ব্যয়েৰে গণেশ মন্দিৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়, গোপাল বড়ো উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু আৰ্য বিদ্যাপীঠ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ লগতে আন কেইবাখনো বিদ্যালয়ৰ নতুন ভৱনৰ আধাৰশিলা স্থাপন কৰে। তেওঁ ভৱনসমূহৰ নিৰ্মাণ কাৰ্য নিৰ্ধাৰিত সময়ৰ ভিতৰত সম্পন্ন কৰিবলৈ বিষয়াসকলক আহ্বান জনায়। এই ভৱনসমূহে বিদ্যালয়সমূহৰ শিক্ষক-শিক্ষয়িত্ৰী তথা শিক্ষাৰ্থীসকলক উৎসাহ যোগোৱাৰ লগতে মানৱ সম্পদ সৃষ্টি কৰাত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি তেওঁ আশা প্ৰকাশ কৰিছে। আনহাতে, তেওঁ আমচাং চাহ বাগিচাৰ দুৰ্গা মণ্ডপৰ চৌহদত জগন্নাথ সামূহিক ভৱন আৰু দক্ষতা কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে।

০০০০০০

রাজ্যৰ পৰিৱেশ আৰু বনমন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীয়ে শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজিত এটা অনুষ্ঠানত আজি পৰিবেশ আৰু বন বিভাগৰ লগতে অসম ৰাজ্যিক প্ৰদূষণ নিয়ন্ত্ৰণ বোৰ্ডত ১২৪ গৰাকী প্ৰাৰ্থীক নিযুক্তি পত্ৰ প্ৰদান কৰে। মন্ত্ৰীগৰাকীয়ে বন বিভাগৰ ৫০ গৰাকী আঞ্চলিক বন বিষয়া আৰু অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ ৭৪ টা পদত প্ৰাৰ্থীসকলক নিযুক্তি দিয়ে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে ১ লাখ নিযুক্তি সম্পূৰ্ণ কৰাৰ বাবে দিয়া প্ৰতিশ্ৰুতিৰ অংশ হিচাপে আজি ১২৪ গৰাকী প্ৰাৰ্থীকে ধৰি ইতিমধ্যে ৯৭ হাজাৰ ২৫২ গৰাকী প্ৰাৰ্থীয়ে বিভিন্ন বিভাগত নিযুক্তি লাভ কৰিছে। এই উপলক্ষে আয়োজিত অনুষ্ঠানত দিয়া ভাষণত মন্ত্ৰীগৰাকীয়ে নৱ-নিযুক্ত বিষয়া-কৰ্মচাৰীসকলক নিষ্ঠা-দায়বদ্ধতা আৰু উদ্ভাৱনীমূলক চিন্তা-চৰ্চাৰে নিজৰ কৰ্মক্ষেত্ৰত সেৱা আগবঢ়াবলৈ আহ্বান জনায়।

০০০০০

ভাৰতীয় জনতা পাৰ্টীয়ে অৰুণাচল প্ৰদেশৰ বিধানসভা নিৰ্বাচনৰ বাবে ৬০ জনীয়া প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী পেমা খাণ্ডুৱে মুক্ত’ সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব। একেদৰে উপ-মুখ্যমন্ত্ৰী চাওনা মেইনে ছুওখাম আসনখনৰ পৰা প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হ’ব। বিধানসভাৰ অধ্যক্ষ পাছান দৰ্জী ছোনাই মেচুকা আসনৰ পৰা আৰু প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী নিনং এৰিঙে পাছিঘাট পশ্চিম সমষ্টিৰ পৰা নিৰ্বাচনত অৱতীৰ্ণ হ’ব। উল্লেখযোগ্য যে বৰ্তমানৰ অৰুণাচল চৰকাৰৰ কাৰ্যকাল অহা ২ জুনত উকলি যাব। ইয়াৰ পৰিপ্ৰেক্ষিতত লোকসভা নিৰ্বাচনৰ সমান্তৰালকৈ ৰাজ্যখনত বিধানসভা নিৰ্বাচন অনুষ্ঠিত হ’ব।

০০০০০০০০

————সমাগত লোকসভা নিৰ্বাচনৰ বাবে বিধায়ক মনোৰঞ্জন তালুকদাৰক চি পি আই (এম)-এ বৰপেটা সমষ্টিৰ পৰা প্ৰাৰ্থীত্ব প্ৰদান কৰিছে। আনহাতে, অসম জাতীয় পৰিষদৰ নেতা দুলু আহমেদে এখন সংবাদমেল যোগে এই সমষ্টিৰ পৰা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ কথা ঘোষণা কৰিছে। ইপিনে, কংগ্ৰেছ দলৰ হৈ দ্বীপ বায়নে লোকসভা নিৰ্বাচনত এই সমষ্টিটোৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়াব।

০০০০০০

ৰাজ্যিক বিজেপিৰ সভাপতি তথা বিধায়ক ভবেশ কলিতাই কামৰূপ জিলাৰ ৰঙিয়াৰ ছয় নম্বৰ ৱাৰ্ডত আজি নগৰীয়া আয়ুষ্মান স্বাস্থ্য মন্দিৰ নামেৰে এটা স্বাস্থ্য কেন্দ্ৰ মুকলি কৰে। নিৰ্বাচনৰ সময়ত দিয়া প্ৰতিশ্ৰুতি অনুসৰি এই স্বাস্থ্য কেন্দ্ৰটো মুকলি কৰা হৈছে বুলি তেওঁ কয়।

০০০০০০

ৰাজ্যিক উদ্ভাৱন আৰু ৰূপান্তৰ আয়োগ অৰ্থাৎ SITA-ৰ উপাধ্যক্ষ ৰমেন ডেকাই আজি নলবাৰীত মহিলাসকলৰ সৱলীকৰণৰ লক্ষ্যৰে স্বাৱলম্বিতা অৰ্জনৰ বাবে এটা প্ৰকল্প উদ্বোধন কৰে। বিজ্ঞানসন্মত ছাগলী পালনৰ দ্বাৰা আদৰ্শ ছাগলী পাম গঢ়ি তুলিবলৈ বৰ্ণিহাটৰ গৱেষণা সঞ্চালকৰ অধীনৰ ছাগলী গৱেষণা কেন্দ্ৰৰ দ্বাৰা এই প্ৰকল্প ৰূপায়ণ কৰা হ’ব। এই প্ৰকল্প জিলাখনৰ বালিতাৰা, ক্ষুদ্ৰ কাট্‌লা বৰকুছি আৰু কাছিমপুৰত ৰূপায়ণ কৰা হ’ব। নিৰ্বাচিত হিতাধিকাৰীসকলৰ ভিতৰত ২৪ গৰাকী মহিলাক ছাগলী বিতৰণ কৰা হয়।

০০০০০০০০

শিক্ষক সমাজৰ ১০ দিনৰ পৰিৱৰ্তে ৩০ দিনৰ আৰ্জিত ছুটীৰ দাবী সন্দৰ্ভত নীতিগত সিদ্ধান্ত লোৱাৰ বাবে ৰাজ্য চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগে এখন উচ্চ পৰ্যায়ৰ বিভাগীয় সমিতি গঠন কৰিছে। সৰ্বশিক্ষা মিছনৰ সঞ্চালকক অধ্যক্ষ, মাধ্যমিক শিক্ষা সঞ্চালকক আহ্বায়ক তথা সদস্য সচিব, বিদ্যালয় শিক্ষা বিভাগৰ জ্যেষ্ঠ বিত্তীয় সহায়কক কাৰিকৰী সদস্য হিচাপে লৈ এই সমিতিখন গঠন কৰা হৈছে। বিদ্যালয়সমূহৰ পৰিদৰ্শকক সদস্য আৰু শিক্ষাবিদক আমন্ত্ৰিত সদস্য হিচাপে সমিতিখনত অন্তৰ্ভুক্ত কৰিছে। বিদ্যালয় শিক্ষা বিভাগৰ সচিব নাৰায়ণ কোঁৱৰে জাৰি কৰা নিৰ্দেশনা অনুসৰি এই সমিতিখনে শিক্ষক সমাজে আৰ্জিত ছুটী সন্দৰ্ভত উত্থাপন কৰা দাবীসমূহ পৰীক্ষা কৰিব। উল্লেখযোগ্য যে, লোকসভা নিৰ্বাচন অন্ত পৰাৰ পাছতে সমিতিখনে প্ৰতিবেদন দাখিল কৰিব বুলি আশা কৰা হৈছে।

০০০০০০০০

মহিলাসকলক আৰ্থিক ক্ষেত্ৰত স্বাৱলম্বী কৰাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে হাতত লোৱা মুখ্যমন্ত্ৰী উদ্যমিতা অভিযান আঁচনিৰ প্ৰাৰম্ভিক কাম-কাজ শিৱসাগৰ পৌৰসভা এলেকাত আৰম্ভ হৈছে। সেই অনুসৰি শিৱসাগৰ পৌৰসভাৰ অধীনৰ ১৪টা ৱাৰ্ডত যোৱা ৫ মাৰ্চ পৰ্যন্ত প্ৰায় দুই হাজাৰ ৯০০ প্ৰ-পত্ৰ বিতৰণ কৰা হয়। আবেদনকাৰী মহিলাসকলে কালি প্ৰ-প্ৰত্ৰসমূহ পূৰণ কৰি কৰ্তৃপক্ষৰ হাতত জমা দিয়ে। উল্লেখযোগ্য যে, মহিলাসকলে এই আঁচনিৰ জৰিয়তে দুটা কিস্তিত ৩৫ হাজাৰ টকা লাভ কৰিব। হিতাধিকাৰীসকলে দ্বিতীয় কিস্তিৰ ২৫ হাজাৰ টকাৰ ৫০ শতাংশ ৰাজসাহায্য হিচাপে লাভ কৰিব। এই দুটা পৰ্যায়ৰ পাছত মহিলাসকলে মাত্ৰ ৩ শতাংশ সুদৰ হাৰত ৫০ হাজাৰ টকা ঋণ লাভ কৰিব।

০০০০০০০০

বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমনে কাইলৈ আই আই টি, গুৱাহাটীত এটা বিশেষ কাৰ্যসূচীত অংশ ল'ব। মন্ত্ৰীগৰাকীয়ে 'বিকশিত ভাৰত এম্বেছাদৰ কেম্পাছ ডায়লগ' শীৰ্ষক এই কাৰ্যসূচীত ভাষণ দিব। অনুষ্ঠানটো দিনৰ ১২ বজাত আৰম্ভ হ'ব।

০০০০০০০০

ভাৰতীয় জনতা পাৰ্টিৰ যোৰহাট জিলা চাহ জনগোষ্ঠী মৰ্চাৰ উদ্যোগত আজি বোকাহোলাত সমষ্টিভিত্তিক কাৰ্যকৰ্তা সভা অনুষ্ঠিত হয়। তিতাবৰ মণ্ডল, তিতাবৰ গ্ৰাম্য মণ্ডল, উত্তৰ পূব তিতাবৰ মণ্ডল আৰু বৰহোলা মণ্ডলৰ সহযোগত অনুষ্ঠিত সভাখনত দলটোৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

০০০০০০০০

মোবাইল চুৰি চক্ৰৰে জড়িত থকাৰ অভিযোগত মহানগৰ আৰক্ষীৰ অপৰাধ শাখাই আজি পল্টনবজাৰ থানাৰ অতিৰিক্ত ভাৰপ্ৰাপ্ত বিষয়া কৃষ্ণ উপাধ্যায়ক গ্ৰেপ্তাৰ কৰে। মহানগৰ আৰক্ষীৰ অপৰাধ শাখাই বাংলাদেশলৈ চোৰাংকৈ মোবাইল ফোন সৰবৰাহৰ এটা ঘটনাৰ অনুসন্ধান চলাই দিল্লীকে ধৰি দেশৰ ভিন্ন স্থানৰ পৰা চুৰি হোৱা মোবাইল ফোন উদ্ধাৰ কৰিছিল। এই ঘটনাত জড়িত থকাৰ অভিযোগত অপৰাধ শাখাই ভৰেশ শৰ্মা নামৰ এজন লোকক গ্ৰেপ্তাৰ কৰে। পৰৱৰ্তী সময়ত এই মোবাইল চুৰি চক্ৰটোৰ পৰা অভিযুক্ত আৰক্ষী বিষয়াগৰাকীয়ে ১৩ লাখ টকা লৈছিল বুলি তদন্তত পোহৰলৈ আহে। আৰক্ষীৰ নাম লৈ চক্ৰটোৰ দুজন লোকক কৃষ্ণ উপাধ্যায়ে অপহৰণ কৰি হোটেলৰ কোঠাত আৱদ্ধ কৰি ৰাখি বন্দী লোক দুজনক মুকলি কৰি দিয়াৰ নামত এই ধন আদায় কৰে। অপৰাধ শাখাই এই অভিযোগৰ ভিত্তিতেই আজি ভাৰপ্ৰাপ্ত বিষয়াগৰাকীক গ্ৰেপ্তাৰ কৰে।

০০০০০০০০

বৰপেটা জিলাত আজিৰে পৰা পোষণ পখৰৱা কাৰ্যসূচী অনুষ্ঠিত হৈছে। মহিলা আৰু শিশু উন্নয়ন বিভাগৰ দ্বাৰা ৰূপায়িত এই কাৰ্যসূচীৰ জৰিয়তে বিশেষকৈ গৰ্ভৱতী মহিলা আৰু দুগ্ধপান কৰোৱা মহিলাৰ মাজত স্বাস্থ্যসন্মত খাদ্যৰ প্ৰতি সজাগতা বৃদ্ধি কৰা হ'ব। এই কাৰ্যসূচীত জিলাখনৰ শিশু উন্নয়ন প্ৰকল্প বিষয়া, অংগনৱাড়ী কৰ্মী, স্বাস্থ্য বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

০০০০০০০০

গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ ৰূপালী জয়ন্তী বৰ্ষৰ সৈতে সংগতি ৰাখি কলাক্ষেত্ৰ সমাজে নলবাৰীত কাইলৈৰ পৰা তিনিদিনীয়াকৈ ৰূপকোঁৱৰৰ নাট উৎসৱৰ আয়োজন কৰিছে। শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰ সমাজৰ সচিব সুদৰ্শন ঠাকুৰ আৰু জিলা আয়ুক্ত বৰ্ণালী ডেকাই এই সন্দৰ্ভত সংবাদ মেলযোগে নাট্য উৎসৱৰ বিভিন্ন দিশ সম্পৰ্কে ৰাইজক অৱগত কৰে। নাট্য উৎসৱত ৬খন নাট মঞ্চস্থ কৰা হ'ব। প্ৰথম দিনা লক্ষ্মীনাথ বেজবৰুৱাৰ সাধুৰ আধাৰত বিভূ দত্তই নাট্যৰূপ দিয়া **সৰবজান**, নিৰ্মল দাস ৰচিত আৰু পৰিচালিত নাট **সুদৰ্শন চক্ৰ** মঞ্চস্থ কৰা হ'ব। অন্তিম দিনটোত **পাহাৰী কন্যা** আৰু **ত্ৰাহিদেৱ দামোদৰ** নামৰ নাটক মঞ্চস্থ কৰা হ'ব। নাট্য উৎসৱৰ সৈতে সংগতি ৰাখি নলবাৰী মহাবিদ্যালয়ত অহা ১৬ মাৰ্চত এখন আলোচনা চক্ৰৰো আয়োজন কৰা হৈছে।

০০০০০০০০

————দিল্লীৰ অৰুণ জেটলী ষ্টেডিয়ামত আজি সন্ধিয়া হ'বলগীয়া মহিলা প্ৰিমিয়াৰ লীগৰ এখন খেলত দিল্লী কেপিটেলছ গুজৰাট জায়েণ্টছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

প্ৰতিযোগিতাৰ কালি অনুষ্ঠিত এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰে যোৱাবাৰৰ চেম্পিয়ন মুম্বাই ইণ্ডিয়ানছক ৭ উইকেটত পৰাস্ত কৰি প্ৰতিযোগিতাৰ প্লে অফ পৰ্যায়ত স্থান নিশ্চিত কৰিছে। এই জয়ৰ জৰিয়তে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালোৰে মুঠ ৮খন খেলৰ ভিতৰত ৪খনত জয়লাভ কৰি আৰু ৪খনত পৰাজিত হৈ ৮ পইণ্টেৰে পইণ্ট তালিকাৰ তৃতীয় স্থান অধিকাৰ কৰে। দলটো এলিমিনেটৰ খেলত মুম্বাই ইণ্ডিয়ানছ অথবা দেলহী কেপিটেলছৰ সন্মুখীন হ'ব। আনহাতে, মুম্বাই ইণ্ডিয়ানছ ৮খন খেলৰ পৰা ১০ পইণ্ট লাভ কৰি পইণ্ট তালিকাৰ দ্বিতীয় স্থানত আছে।

০০০০০০

**সমাপ্ত**